# সমাজতত্ত্ব বিভাগ

# প্রতীতি

# প্ৰতীতি

২০২৬ - ২৭ বৰ্ষ

দুলীয়াজান মহাবিদ্যালয়

## সমাজতত্ত্ব বিভাগৰ আলোচনী



ষষ্ঠ বাৰ্ষিক প্ৰকাশ

সম্পাদিকা
প্ৰিয়াংক্ষী দত্ত

# সম্পাদনা কক্ষ

- উপদেষ্টা : ড° হেমন্ত দাস, ড° ঈশ্বৰ হাজৰিকা, ড° অৰুণ ৰয় আৰু শ্ৰীমতী মেঘালী দাস ।
- সম্পাদিকা : প্ৰীয়ংক্ষী দত্ত ।
- সহঃ সম্পাদিকা : হিমাংক্ষী দত্ত ।
- সদস্য-সদস্যা : বনালী হাজৰিকা, জ্যোতিষ্মতা দত্ত, ঊৰ্মিমালা বড়া, পৰী দত্ত, পায়েল সন্তৰী
- অক্ষৰ বিন্যাস : ৰিংকুমণি গগৈ, জুৰী বৰা, প্ৰিয়া সোণাৰ, নিবিস্তা শইকীয়া
- বেটুপাত অংকন : ৰিংকুমণি গগৈ, সংস্কৃতি দত্ত ।
- অলংকৰণ : সংস্কৃতি দত্ত, প্ৰিয়াশ্ৰী গগৈ ।
- প্ৰকাশক : সমাজতত্ত্ব বিভাগ ।

# উছৰ্গা

যিসকলৰ অসীম ত্যাগ আৰু আশীৰ্বাদে আমাৰ জীৱনৰ প্ৰতিটো খোজ মণ্ডিত কৰিছে, সেই শ্ৰদ্ধাৰ পিতৃ-মাতৃ আৰু যিসকলৰ জ্ঞান আৰু নিৰন্তৰ প্ৰেৰণাই আমাৰ বৌদ্ধিক জগতখন পোহৰাই তুলিছে, সেই চিৰনমস্য শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চৰণত আমাৰ এই ক্ষুদ্ৰ সৃষ্টি "প্ৰতীতি" আলোচনী খন ভক্তিৰে উছৰ্গা কৰিলোঁ।

# কৃতজ্ঞতা স্বীকাৰ

- মাননীয় সভাপতি সমাজতত্ত্ব বিভাগৰ সম্পাদনা কক্ষ ।
- মাননীয় দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোকবিকাশ গগৈ ।
- মাননীয় সমূহ শিক্ষক মণ্ডলী আৰু কৰ্মচাৰীবৃন্দ ।
- সমাজতত্ত্ব বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু লেখনি দিওঁতা সকল
- সমাজতত্ত্ব বিভাগৰ প্ৰাক্তন অগ্ৰজ ছাত্ৰ-ছাত্ৰী সকল ।
- সমাজতত্ত্ব বিভাগৰ ছাত্ৰ বন্ধু সকল ।

সম্পাদনা কক্ষ
সমাজতত্ত্ব বিভাগ

# শুভেচ্ছা বাণী

ড° হেমন্ত দাস।
সহযোগী অধ্যাপক আৰু বিভাগীয় মুৰব্বী
সমাজতত্ত্ব বিভাগ, দুলীয়াজান মহাবিদ্যালয়

আমি জানিবলৈ পাই অতি আনন্দিত হৈছোঁ যে দুলীয়াজান মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় প্ৰতিভা বিকাশ সপ্তাহ উপলক্ষে এখনি হাতেলিখা আলোচনী প্ৰকাশৰ উদ্যোগ হাতত লৈছে। বিভাগটোৰ এনে উদ্যম সঁচাই প্ৰশংসনীয়। ছপা আলোচনীয়েই হওক নাইবা হাতেলিখা আলোচনীয়েই হওক, এখন বিভাগীয় আলোচনীয়ে এজন লেখকৰ প্ৰতিভা বিকাশত বিশেষ ভূমিকা পালন কৰে। সেয়ে সুপ্ত প্ৰতিভা জাগ্ৰত কৰি তোলাত বিভাগীয় আলোচনী এখন সঞ্জীৱনী সুধা বুলিব পাৰি। আশাকৰোঁ সমাজতত্ত্ব বিভাগৰ হাতেলিখা আলোচনী-খনেও বিভাগটোৰ সদস্যসকলৰ এনে আশা পূৰণ কৰিব পাৰিব।

বিভাগটোৰ সকলো শিক্ষক সদস্যৰ হৈ আলোচনীখনৰ সৈতে জড়িত সকলো সদস্য-সদস্যালৈ শুভেচ্ছা জনালোঁ

ডঃ হেমন্ত দাস।

স্বাক্ষৰ
ড° হেমন্ত দাস

# WITH WARM WISHES

Dear Students,

As you bring this handwritten magazine to life with your creativity may each page reflect your originality and vivid imagination. Hope you experience the pure joy of expressing yourselves and the excitement of new discoveries.

Warm regard,

Dr. Arun Roy
Assistant Professor
Department of sociology
Duliajan College

# জুবিন গাৰ্গলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি



জন্ম ১৮-১১-১৯৭২

মৃত্যু ১৯-০৯-২০২৫

অসমীয়া সংগীত জগতৰ এক বিশেষ নাম হৈছে জুবিন গাৰ্গ। তেওঁৰ কণ্ঠত মানুহৰ হৃদয় স্পৰ্শ কৰিব পৰা এক অসাধাৰণ শক্তি আছিল, যাৰ বাবে তেওঁৰ গীতসমূহ আজিও সজীৱ হৈ আছে। তেওঁৰ কেৱল এজন গায়কেই নাছিল, বৰঞ্চ তেওঁ আছিল গভীৰ অনুভৱেৰে পূৰ্ণ এগৰাকী শিল্পী। জীৱনৰ বিভিন্ন ৰং, সুখ-দুখ, প্ৰেম আৰু বাস্তৱতা তেওঁৰ সুৰ আৰু কথাৰ মাজেৰে স্পষ্টকৈ ধ্বনিত হৈছিল। তেওঁৰ নিজৰ কৰ্ম জীৱনত ৩৮ হাজাৰৰ অধিক গীতত কণ্ঠদান কৰাৰ লগতে অসমীয়া চলচ্চিত্ৰ জগততো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। 'তুমি মোৰ মাথো মোৰ', 'দিনবন্ধু', 'মিছন চাইনা', 'কাঞ্চনজংঘা', আৰু 'হিয়া দিয়া নিয়া' আদি ছবিত তেওঁ অভিনয় বা সংগীত পৰিচালনাৰ দৰে বিভিন্ন কাম কৰিছিল। এই সৃষ্টিৰাজিয়ে তেওঁৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছিল।

প্ৰকৃতিৰ সৈতে তেওঁৰ এক গভীৰ আত্মীয়তা আছিল। অসমৰ সেউজীয়া পৰিৱেশ, নৈ-নদী আৰু মাটিৰ সুবাস তেওঁৰ সৃষ্টিত প্ৰতিফলিত হৈছিল। সেইবাবেই তেওঁ আজিও প্ৰকৃতিৰ বুকুত চিৰ জীৱন্ত হৈ থকা যেন অনুভৱ হয়। শাৰীৰিকভাৱে তেওঁ আজি আমাৰ মাজত নাথাকিলেও তেওঁৰ অমৰ সুৰ আৰু স্মৃতিসমূহ সদায় আমাৰ হৃদয়ত জীয়াই থাকিব। আমি তেওঁৰ এই অমূল্য অৱদানক সশ্ৰদ্ধে স্মৰণ কৰিছোঁ আৰু তেওঁ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

# দুলীয়াজান মহাবিদ্যালয়ৰ গীত

ৰচনা: ড° হিতেশ বৰদলৈ  সুৰ: দিলীপ তামুলী

প্ৰজ্বলিত আমাৰ দীপৰ অঞ্জলি
সাধনাৰ থালনাত থওঁ,
তিমিৰ নাশৰ গান আনিছো
আহা একেলগে গাওঁ ॥

আমি তীৰ্থৰ জ্ঞানমালিনী
জ্ঞানৰ মালা গাঁথিছো,
অজ্ঞানৰ সাধনাত মৰ্দন আমি
সাগৰ মন্থন কৰিছো
ঐক্য শান্তিৰ বাণী আনিছো
আহা একেলগে লওঁ ॥

স্নান কৰিছো সৰে আজি
জোনাকৰ বৰষুণ পৰিছে ।
নতুন দিনৰ ন- মলয়াই
আমাক মতলীয়া কৰিছে,
আমাৰ সপোনে জগত জিনিব
আঁহা কথাটি কওঁ,
আঁহা একেলগে কওঁ ॥